**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 6-03-2026 **Time :** 6PM.

***Assamese Evening Bulletin***

**Headlines**

১। কেন্দ্ৰীয় লোকসেৱা আয়োগৰ ২০২৫ বৰ্ষৰ অসামৰিক সেৱাৰ পৰীক্ষাৰ চূড়ান্ত ফলাফল ঘোষণা

২। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ডিব্ৰুগড়ত কেইবাটাও কাৰ্য্যসূচীত অংশগ্ৰহণ।

৩। কালি সন্ধিয়া দুৰ্ঘটনাত পতিত হোৱা ছুখয় 30 MKI শ্ৰেণীৰ যুঁজাৰু বিমানখনৰ দুৰ্ঘটনাস্থলীত আজি সেনাৰ এটা উদ্ধাৰকাৰী দল উপস্থিত।

*আৰু*

৪। চাহ জনজাতি আৰু আদিবাসী সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আজি বিভিন্ন শিতানত জলপানি প্ৰদান।০০০০০০

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ ২০২৫ বৰ্ষৰ অসামৰিক সেৱাৰ পৰীক্ষাৰ চূড়ান্ত ফলাফল ঘোষণা কৰা হৈছে। এই পৰীক্ষাত ৬৫৯ গৰাকী পুৰুষ আৰু ২৯৯ গৰাকী মহিলা প্ৰাৰ্থীকে ধৰি মুঠ ৯৯৮ গৰাকী প্ৰাৰ্থী উত্তীৰ্ণ হৈছে। ২০২৫ বৰ্ষৰ অসামৰিক সেৱাৰ পৰীক্ষাত ৰাজস্থানৰ অনুজ অগ্নিহোত্ৰীয়ে প্ৰথম, ৰাজেশ্বৰী চুভেই দ্বিতীয় আৰু আকাংশ ধুলে তৃতীয় স্থান লাভ কৰিছে। অসমৰো কেইবাগৰাকী প্ৰাৰ্থী অসামৰিক সেৱাৰ পৰীক্ষাত উত্তীৰ্ণ হৈছে। ইয়াৰ ভিতৰত অভিজ্ঞান খাউণ্ডে ১৮৭ সংখ্যক স্থান, অভিজ্ঞান জ্যোতি বৰাই ৫৭০ সংখ্যক স্থান আৰু ভাস্বতা শইকীয়াই ৭৭৭ সংখ্যক স্থানত উত্তীৰ্ণ হৈছে। বিগত বৰ্ষৰ ২৫ মে'ত অনুষ্ঠিত অসামৰিক সেৱাৰ প্ৰাৰম্ভিক পৰীক্ষাত ৯ লাখ ৩০ হাজাৰৰো অধিক প্ৰাৰ্থী অৱতীৰ্ণ হৈছিল বুলি কেন্দ্ৰীয় লোকসেৱা আয়োগে প্ৰকাশ কৰিছে। ০০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ জীৱন ফুকন নগৰত নতুনকৈ নিৰ্মাণ কৰা ভাৰতীয় জনতা পাৰ্টীৰ উজনি অসমৰ মাণ্ডলিক কাৰ্যালয় উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ৰাজ্যিক প্ৰভাৰী ৰবীন্দ্ৰ ৰাজুকে ধৰি কেইবাগৰাকীও মন্ত্ৰী-বিধায়ক তথা কৰ্মকৰ্তাসকল উপস্থিত থাকে। এই নৱনিৰ্মিত কাৰ্যালয়ে প্ৰতিগৰাকী কৰ্মকৰ্তাক দলীয় কাম-কাজ ৰূপায়ণৰ ক্ষেত্ৰত সহায় কৰাৰ উপৰি অনাগত দিনত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰাৰ বাবে এখন নিৰ্দিষ্ট ঠাই প্ৰদান কৰিব। ড০ শৰ্মাই আজি ডিব্ৰুগড় প্ৰেছ ক্লাব ভৱনৰো আধাৰশিলা স্থাপন কৰে। দক্ষিণ জালান নগৰত নিৰ্মাণ হ'বলগীয়া এই ভৱনে প্ৰেছ ক্লাবৰ সাংবাদিকসকলক কাম-কাজ আগবঢ়াই নিয়াৰ বাবে এটা স্থায়ী ঠিকনা প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ০০০০০০০০

Election Prep./RNU-PTC-CHIRANG (06-03-2026)/EVE

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহ নিৰ্বাচনী কুচকাৱাজত ব্যস্ত হৈ পৰা পৰিলক্ষিত হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নাহৰকটীয়াত বিজেপিৰ জন আশীৰ্বাদ যাত্ৰাত অংশ লয়। শতাধিক লোকে এই আশীৰ্বাদ যাত্ৰাত অংশগ্ৰহণ কৰে। কংগ্ৰেছ,

ৰাইজৰ দলকে ধৰি বিৰোধীৰ মিত্ৰতা সন্দৰ্ভত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈৰ উপস্থিতিত বিৰোধী ঐক্যৰ এখন সংবাদমেল অনুষ্ঠিত হৈছে। ইপিনে, ইউ পি পি এল দলে নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বি টি চিত আৰম্ভ কৰা শান্তি মটৰ চাইকেল সমদল আজি ছিদলী-চিৰাং সমষ্টিত উলিওৱা হয়। দলৰ সভাপতি তথা বি টি চিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কাজলগাঁও শান্তি খেলপথাৰৰ পৰা এই সমদলৰ নেতৃত্ব দিয়ে। শ্ৰীবড়োৱে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সমাগত বিধানসভা নিৰ্বাচনত ইউ পি পি এল দলে বি টি চিৰ ১৫ খন আসনতে প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা ঘোষণা কৰে।

-বাইট(প্ৰমোদ বড়ো)-

বাক্সা জিলাৰ সদৰ মুছলপুৰত বি পি এফৰ দিছপুৰ চলো কাৰ্য্যসূচীত আজি বি টি চিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে অংশগ্ৰহণ কৰে। শ্ৰীমহিলাৰীয়ে অহা ৯ মাৰ্চত বি পি এফ দলৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ পাব বুলি জানিবলৈ দিয়ে। তেওঁ লগতে নিৰ্বাচনত ইউ পি পি এলৰ সৈতে বি পি এফৰ কোনো সম্পৰ্ক নাথাকে আৰু বৰ্তমানলৈ আসন ভাগ-বটোৱাৰাক লৈ বিজেপিৰ সৈতে চূড়ান্ত সিদ্ধান্ত হোৱা নাই বুলি প্ৰকাশ কৰে। ০০০০০০

যোৰহাট বিমান বন্দৰৰ পৰা নিয়মীয়া অনুশীলনৰ বাবে উৰা মৰাৰ সময়ত দুৰ্ঘটনাত পতিত হোৱা ছুখয় 30 MKI শ্ৰেণীৰ যুঁজাৰু বিমানখনৰ দুৰ্ঘটনাস্থলীত আজি সেনাৰ এটা উদ্ধাৰকাৰী দল উপস্থিত হয়। কাৰ্বিআংলং জিলাৰ বোকাজান মহকুমাৰ চকিহোলা থানাৰ অন্তৰ্গত ইংলং ইকপি পাহাৰৰ ঘন অৰণ্যৰ মাজৰ দুৰ্ঘটনাস্থলীলৈ জিলায়ুক্ত আৰু জিলা আৰক্ষী অধীক্ষকো ৰাওনা হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে। ভাৰতীয় বায়ু সেনাৰ কৰ্তৃপক্ষই ইতিমধ্যে বিমান চালক স্কোৱাৰ্ডন লীডাৰ অনুজ আৰু ফ্লাইট লেফ্‌টেনেণ্ট পুৰ্বেশ দুৰাকাৰৰ মৃত্যু হোৱাটো নিশ্চিত কৰিছে।

ঘটনাটোত কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে গভীৰ শোকপ্ৰকাশ কৰিছে। এই দুৰ্ঘটনাৰ কাৰণ সন্দৰ্ভত এতিয়াও সৰিশেষ কোনো তথ্য লাভ কৰিব পৰা হোৱা নাই। পাহাৰত খুন্দা মৰাৰ ফলতেই বিমানখন দুৰ্ঘটনাত পতিত হয় বুলি স্থানীয় লোকে সন্দেহ প্ৰকাশ কৰিছে। ০০০০

চাহ জনজাতি আৰু আদিবাসী সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আজি ২০২৫-২৬ বৰ্ষত বিভিন্ন শিতানত জলপানি প্ৰদান কৰা হয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল প্ৰেক্ষাগৃহত এই উপলক্ষে আয়োজিত অনুষ্ঠানতে চাহ জনজাতিৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলৰ বাবেও শ্বহীদ দয়াল দাস পানিকা স্বনিয়োজন আঁচনিৰ অধীনত আৰ্থিক সাহায্য প্ৰদান কৰা হয়। উল্লেখযোগ্য যে প্ৰাক-প্ৰবেশিকা জলপানি আঁচনিৰ অধীনত জনগোষ্ঠীটোৰ ৮ হাজাৰ ৭০ গৰাকী ছাত্ৰ-ছাত্ৰী, ছাইমন সিং হৰ' প্ৰৱেশিকা উত্তীৰ্ণ ৯ হাজাৰ ১৮৪ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু উচ্চ শিক্ষাৰ বাবে ৪ হাজাৰ ৪৭০গৰাকী ছাত্ৰ-ছাত্ৰীলৈ আৰ্থিক অনুদান আগবঢ়োৱা হয়। তদুপৰি শ্বহীদ দয়লা দাস পানিকা স্বনিয়োজন আঁচনিৰ অধীনত ১৫ হাজাৰ ১৮৯গৰাকী নিবনুৱা যুৱক-যুৱতীলৈ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। অনুষ্ঠানত অংশ লৈ চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই এই আঁচনিসমূহৰ জৰিয়তে জনগোষ্ঠীটোৰ ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট উপকৃত হ'ব বুলি প্ৰকাশ কৰে।

-বাইট-

০০০০০০০

ধেমাজি জিলা ছাত্র সন্থাই আজি সাম্প্রদায়িক অপশক্তিৰ বিৰুদ্ধে **সংকল্প দিৱস** কাৰ্য্যসূচী ৰূপায়ন কৰে। সদৌ ধেমাজি জিলা ছাত্র সন্থাৰ উদ্যোগত আৰু চিলাপথাৰ আঞ্চলিক ছাত্র সন্থাৰ সহযোগত পালন কৰা এই কাৰ্যসূচীত ছাত্র সন্থাৰ বিষয়ববীয়া আৰু সদস্য সকলৰ লগতে স্থানীয় ৰাইজেও অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে ২০১৭ চনৰ ৬ মাৰ্চত এটা বহিৰাগত গোষ্ঠায়ে চিলাপথাৰত সাম্প্রদায়িক অপশক্তিৰ বিষবাষ্প বিয়পাই আছুৰ মুখ্য কাৰ্যালয় আৰু শ্বহীদ বেদী লণ্ড ভণ্ড কৰি অসমীয়াৰ স্বাভিমানত আঘাত হানিছিল।¯ সেই ঘটনাৰ প্ৰতিবাদত প্ৰতিবছৰে ছাত্র সন্থাই ৬ মাৰ্চ দিনটো সংকল্প দিৱস হিচাপে পালন কৰি আহিছে। সকলো ধৰণৰ অপপ্রচাৰ আৰু সংঘাতৰ বিৰুদ্ধে সচেতনতা সৃষ্টিৰ উদ্দেশ্য ধেমাজি জিলা ছাত্র সন্থাই এই কাৰ্যসূচী ৰূপায়ন কৰি আহিছে।

০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে নাগালেণ্ডৰ যুৱক-যুৱতীসকলক ৰাষ্ট্ৰীয় সেৱাত সক্রিয়ভাৱে অংশগ্রহণ কৰাৰ লগতে ৰাষ্ট্ৰ নিৰ্মাণত তেওঁলোকৰ অৱদান আগবঢ়াবলৈ আহ্বান জনাইছে। বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত বিকশিত নাগালেণ্ডে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলিও তেওঁ মত প্ৰকাশ কৰে। লুমামিৰ জোন হেবোতো জিলাৰ নাগালেণ্ড বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন সমাৰোহত ভাষণ দি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ব্যাপক বৈচিত্ৰ্য সত্বেও একতাই ভাৰতৰ সৰ্বোত্তম শক্তি বুলি সজোৰে উল্লেখ কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে উত্তৰ পূৰ্বাঞ্চলত যোৱা কেইবাটাও দশকত আন্তঃগাঁথনিমূলক বিকাশৰ যোগেদি পৰিৱৰ্তন সাধন হোৱাৰ লগতে শান্তি স্থাপনৰ উদ্দেশ্যে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰ বিষয়ে আলোকপাত কৰে। সীমান্ত নাগালেণ্ড প্ৰাদেশিক প্ৰাধিকৰণ চুক্তিৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে ৰাজ্যখনৰ সামগ্ৰিক বিকাশৰ বাবে শান্তি আৰু সহযোগিতা অতি গুৰুত্বপূৰ্ণ বিষয়। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে নাগালেণ্ড, মিজোৰাম আৰু ত্ৰিপুৰালৈ কৰা তিনি-দিনীয়া উত্তৰ পূৰ্বাঞ্চল ভ্ৰমণৰ অংশ হিচাপে কাইলৈ আইজললৈ যাত্ৰা কৰিব।

০০০০০০০

আন্তৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে অহা ৮ মাৰ্চত শিৱসাগৰত বিশেষ ক্ৰীড়া কাৰ্যসূচী ৰূপায়ন কৰা হয়। ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ **অস্মিতা** শীৰ্ষক আঁচনিৰ অধীনত মহিলা এথলেটিকছ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিৱসাগৰ জিলা ক্ৰীড়া বিষয়া কাৰ্য্যালয় আৰু মাই ভাৰতৰ জিলা যুৱ বিষয়া সকলৰ যৌথ উদ্যোগত এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিৱসাগৰৰ ঐতিহাসিক পিয়লি ফুকন ষ্টেডিয়ামত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। মহিলা আৰু কিশোৰী সকলৰ মাজত এথলেটিকছৰ জনপ্ৰিয়তা বৃদ্ধি কৰা তথা স্বাস্থ্য আৰু ক্ৰীড়া সংস্কৃতিৰ প্ৰতি সজাগতা সৃষ্টি কৰাই এই প্ৰতিযোগিতাৰ মূল লক্ষ্য।

০০০০০০